হে বিলাল! তুমি মোক কোৱাচোন, ইছলাম গ্ৰহণৰ পিছত তুমি সৰ্বাধিক সন্তুষ্টিমূলক কোনটো আমল কৰিছা?

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ সময়ত বিলালক ক'লে যে, হে বিলাল! তুমি মোক কোৱাচোন, ইছলাম গ্ৰহণৰ পিছত তুমি সৰ্বাধিক সন্তুষ্টিমূলক কোনটো আমল কৰিছা? কাৰণ মই জান্নাতত মোৰ
সন্মুখত তোমাৰ ভৰিৰ খোজৰ শব্দ শুনিছোঁ। তেওঁ ক'লেঃ মই ইয়াতকৈ সন্তুষ্টিমূলক
বেলেগ আন কোনো কাম কৰা নাই, সেইটো হৈছে এই যে, মই দিনে ৰাতি যেতিয়াই পৱিত্ৰতা
অৰ্জন (অজু) কৰিছোঁ, তেতিয়াই সেইটোৰ দ্বাৰা তাক্বদীৰত লিখিত অনুসৰি মহান আল্লাহৰ তাওফীক অনুযায়ী নামাজ আদায় কৰিছোঁ। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এবাৰ সপোনত দেখিলে যে, তেখেত জান্নাতত আছে। তেখেতে বিলালক মাতি ক'লেঃ হে বিলাল! তুমি ইছলাম গ্ৰহণৰ পিছত নফল ইবাদতৰ ভিতৰত আটাইতকৈ আশাব্যঞ্জক কোনটো আমল কৰিছা? কাৰণ মই জান্নাতত মোৰ সন্মুখত তোমাৰ জোতাৰ মৃদু শব্দ শুনিছোঁ। বিলাল ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ মই এনেকুৱা কোনো কাম কৰিছোঁ বুলি মোৰ ধাৰণা নহয়, কিন্তু দিনে ৰাতি মই যেতিয়াই মোৰ অজু ভংগ হৈছে, লগে লগে মই অজু কৰি মহান আল্লাহে প্ৰদান কৰা তাওফীক অনুযায়ী নফল নামাজ আদায় কৰিছোঁ।

http://www.sunnah.global/hadeeth/as/show/65849